## ৫ : ৪ : (ঘ) ঃ শিক্ষাৰ বৃত্তিমুখী লক্ষ্য ঃ (Vocational Aim of Education) :

আমি জানো যে প্ৰাচীন জীৱন যাত্ৰাৰ পদ্ধতি আছিল অত্যন্ত সৰল সহজ। খাদ্য সংগ্ৰহ আৰু বাসস্থানক কেন্দ্ৰ কৰি সাধাৰণ কৌশল আয়ত্ত কৰাই তেওঁলোকৰ বাবে যথেষ্ট আছিল। সেই সময়ত কোনো জটিল বা উন্নত শিক্ষাৰ প্ৰয়োজনবোধ কৰা হোৱা নাছিল। সেই সময়ত শিক্ষা আছিল নিতান্ত অনিয়ন্ত্ৰিত। শিক্ষাৰ্থীয়ে বাস্তৱ অভিজ্ঞতাৰ দ্বাৰাই প্ৰয়োজনীয় অভিজ্ঞতাসমূহ আহৰণ কৰিছিল। বৃত্তি অনুসৰণৰ বাবে শিক্ষাৰ প্ৰয়োজন হ'লেও এই শিক্ষা আছিল প্ৰাথমিক প্ৰকৃতিৰ আৰু শিক্ষাৰ্থীয়ে পৰোক্ষভাৱে এই শিক্ষা লাভ কৰিছিল। কিন্তু মানুহৰ জীৱন যাত্ৰাৰ পদ্ধতি ক্ৰমে জটিল হৈ উঠাৰ লগে লগে নিয়মতান্ত্ৰিক শিক্ষাৰ বিকাশ হ'ল। এইক্ষেত্ৰত শিশুক জটিল জীৱন পৰিস্থিতিৰ উপযোগী কৰি গঢ় দি তোলাৰ দায়িত্ব বিদ্যালয়ে গ্ৰহণ কৰিব লগা হয়। এই দায়িত্ব পালন কৰিবলৈ যাওঁতে শিক্ষাৰ্থীক ভৱিষ্যৎ জীৱনৰ উপযোগী কৰি গঢ় দি তোলাটো এক উল্লেখনীয় দিশ। অৰ্থাৎ, শিক্ষাৰ লক্ষ্য হ'ব লাগে শিশুক ভৱিষ্যৎ কোনো বৃত্তিৰ বাবে প্ৰস্তুত কৰা। বৰ্তমান অনেক শিক্ষাবিদ আৰু অভিভাৱকে এই লক্ষ্যৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।

চিন্তাবিদসকলৰ মতে ব্যক্তিক উপাৰ্জনক্ষম কৰি তোলাটোৱেই শিক্ষাৰ প্ৰধান লক্ষ্য হোৱা উচিত। গতিকে শিক্ষাৰ যোগেদি ভৱিষ্যৎ জীৱনৰ গ্ৰহণযোগ্য হোৱাকৈ শিক্ষাৰ্থীক বৃত্তিমুখী প্ৰশিক্ষণ দিয়া উচিত। সকলো সংগুণৰে বিভূষিত হ'লেও এজন ব্যক্তিৰ অৰ্থ উপাৰ্জনৰ ক্ষমতা নাথাকিলে জীৱন দুৰ্বহ হোৱাটো নিশ্চিত। গতিকে শিক্ষাৰ্থীয়ে নিজৰ সামৰ্থ আৰু ৰাপ অনুযায়ী ভৱিষ্যৎ জীৱন নিৰ্বাহৰ কাৰণে বৃত্তি গ্ৰহণ কৰিব পৰাকৈ শিক্ষা লোৱা উচিত। গতিকে শিক্ষাৰ বৃত্তিমূলক লক্ষ্য

Scanned by CamScanner

বুলি কওঁতে পৰিকল্পিতভাৱে ভৱিষ্যতৰ কোনো বৃত্তিৰ বাবে উপযুক্ত কৰি তুলিবৰ বাবে শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰা বুজায়। হাৰ্বাট স্পেনচাৰে এই সম্পৰ্কত মন্তব্য আগবঢ়াই কৈছিল যে শিক্ষাৰ দ্বাৰা শিশুক এনে কিছুমান সামৰ্থৰ বিকাশত সাহাৰ্য কৰিব লাগে যি শিক্ষাৰ্থীক ভৱিষ্যৎ জীৱিকা অৰ্জনত সহায়তা কৰিব পাৰে। মিল্টনে (Milton) এই সম্পৰ্কত কৈছিল— "I call complete and generous education that which fits a man to perform justly, skillfully and magnanimously all the offices both public and private, of peace and war." শিক্ষা এনে হোৱা উচিত যে জীৱনৰ প্ৰয়োজন পূৰণ কৰিব পাৰে। শিক্ষাৰ দ্বাৰা জীৱনৰ অংগ সৌষ্ঠভ বৃদ্ধি পালেই নহ'ব, শিক্ষাই জীৱনৰ বস্তুগত চাহিদা পুৰণতো সক্ষম হ'ব লাগিব। মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষা আৰু জন ডিউইৰ সক্ৰিয়তা ভিত্তিক শিক্ষাত বৃত্তিমুখী শিক্ষাৰ গুৰুত্ব দেখিবলৈ পোৱা যায়। মুদালিয়া আয়োগৰ প্ৰতিবেদনতো শিক্ষাৰ বৃত্তিমুখী লক্ষ্যক গুৰুত্ব প্ৰদান কৰিছিল।

### ৫ : ৪ : ঘ (২) : শিক্ষাৰ বৃত্তিমূলক লক্ষ্যৰ গুৰুত্ব ঃ
### (Importance of Vocational Aim of Education) :

ব্যক্তিৰ জীৱনত বৃত্তিমূলক দিশটো অত্যন্ত গুৰুত্বপূৰ্ণ। তলত শিক্ষাৰ ক্ষেত্ৰত এই বৃত্তিমূলক লক্ষ্যৰ গুৰুত্বসমূহ উল্লেখ কৰা হ'ল—

(১) **বৃত্তিমুখী শিক্ষাই ব্যক্তিক আত্মনিৰ্ভৰশীল কৰি তোলে ঃ** বৃত্তিমুখী শিক্ষাই ব্যক্তিক অৰ্থনৈতিক স্বনিৰ্ভৰশীলতা আৰু স্বাচ্ছন্দ্য প্ৰদান কৰে। এই অৰ্থনৈতিক স্বাচ্ছন্দ্যৰ ফলত ব্যক্তিৰ মনত আত্মসন্তুষ্টি, আত্মনিৰ্ভৰশীলতা, মানসিক উন্মুক্ততা, নৈতিকতাবোধ ইত্যাদিৰ



Scanned by CamScanner

সৃষ্টি হয়। জন ডিউই-এ কৈছিল ব্যক্তিয়ে কি কৰিব পাৰে তাক নিৰ্ধাৰণ কৰি সেই কামত নিযুক্ত কৰিলে তেওঁ সুখী হয়। (To find out what one fitted to do and to secure an opportunity to do it, is the key to happiness) এই অৰ্থনৈতিক স্বাচ্ছন্দ্য সামাজিক যোগ্যতাৰো অন্যতম চৰ্ত। সমাজত এক সুস্থ বাতাবৰণৰ সৃষ্টিৰ বাবে ব্যক্তিৰ অৰ্থনৈতিক স্বাৱলম্বীতা এক গুৰুত্বপূৰ্ণ দিশ।

(২) **শিক্ষাৰ বৃত্তিমুখী লক্ষ্যই শিক্ষা প্ৰচেষ্টাক অৰ্থপূৰ্ণ কৰি তোলে ঃ** বৃত্তিমুখী শিক্ষাৰ লক্ষ্য মনোবিজ্ঞানৰ তত্ত্বৰ দ্বাৰাও সমৰ্থিত। মনোবিজ্ঞানৰ ধাৰণা অনুযায়ী কাৰ্যৰ উদ্দেশ্য সচেতনতাই কৰ্মক্ষমতা বৃদ্ধি কৰে। অৰ্থাৎ শিশুক উদ্দেশ্যপূৰ্ণ কাৰ্যত নিয়োজিত কৰিব পাৰিলে শিকন কাৰ্য অধিক ফলপ্ৰসূ হৈ উঠে। শিকন কাৰ্যৰ উদ্দেশ্যৰ সচেতনতাই শিক্ষাৰ্থীৰ মনত আগ্ৰহৰ সঞ্চাৰ কৰে। বৃত্তিমুখী লক্ষ্যই শিক্ষাকালীন আচৰণক শিক্ষাৰ্থীৰ বাবে সহজভাৱে অৰ্থপূৰ্ণ কৰি তোলে। ফলত এই জাতীয় লক্ষ্যই শিশুক শিক্ষাৰ প্ৰতি স্বাভাৱিকভাৱে আগ্ৰহী কৰি তোলে।

(৩) **বৃত্তিমুখী লক্ষ্যই ক্ষীন বুদ্ধি শিক্ষাৰ্থীৰ বাবে বিশেষ সহায়কাৰীঃ** বৃত্তিমুখী শিক্ষা পৰিকল্পনা অল্প বুদ্ধি বা ক্ষীন বুদ্ধি সম্পন্ন শিশুৰ (feeble-minded) ক্ষেত্ৰত বিশেষভাৱে উপযোগী। পুথিগত তাত্বিক শিক্ষা এই শিশুসকলৰ ক্ষেত্ৰত বিশেষ ফলপ্ৰসূ নহয়। নিজৰ সীমিত বুদ্ধিৰ বাবে এই শিশুসকল জ্ঞানৰ সাৰ্বিক প্ৰয়োগ ক্ষমতাৰ পৰা বঞ্চিত হয়। সেয়েহে অনেক ক্ষেত্ৰত তেওঁলোকৰ মনত নীচাস্তিকা মনোভাৱৰো সৃষ্টি হয়। এই ক্ষেত্ৰত এওঁলোকৰ সামৰ্থ অনুযায়ী কোনো বৃত্তিমূলক প্ৰশিক্ষণ দিলে এই শিশুসকল

Scanned by CamScanner

স্বনির্ভৰশীল হৈ উঠিব পাৰে। অৰ্থাৎ বৃত্তিমুখী শিক্ষাৰ দ্বাৰা তেওঁলোকৰ মনত বিশ্বাসৰ সৃষ্টি কৰিব পৰা যায়। ইয়াৰ ফলত শিক্ষাৰ প্ৰতি তেওঁলোকৰ মনত এক ইতিবাচক মনোভাবে গঢ় লৈ উঠে।

(৪) **বৃত্তিমুখী শিক্ষাই ভৱিষ্যৎ বৃত্তি সম্পৰ্কে নিশ্চয়তা প্ৰদান কৰে ঃ** শিক্ষাৰ বৃত্তিমুখী লক্ষ্যই সমাজৰ অৰ্থনৈতিক দিশতো বিশেষ অৰিহনা যোগায়। এই শিক্ষাই শিক্ষাৰ্থীক জীৱন আৰু জীৱিকাৰ বাবে প্ৰস্তুত কৰে। গতিকে এই লক্ষ্যই শিক্ষাৰ্থীক ভৱিষ্যৎ বৃত্তি সম্পৰ্কে নিশ্চয়তা প্ৰদানৰ সম্ভাৱনীয়তা বহন কৰে। গতিকে এই লক্ষ্যই নিবনুৱা সমস্যাৰ দৰে আৰ্থ-সামাজিক সমস্যাৰ সমাধানতো সহায় কৰিব পাৰে। এই সম্পৰ্কত মন্তব্য আগবঢ়াই গান্ধীজীয়ে কৈছিল— "True education ought to be a kind of insurance against unemployment".

(৫) **বৃত্তিমুখী শিক্ষাই শিক্ষাত বৌদ্ধিক দিশৰ সাৰ্বিক আধিপত্য হ্ৰাস কৰে ঃ** সাধাৰণতে গতানুগতিক শিক্ষাত বৌদ্ধিক দিশ অধিক প্ৰাধান্য লাভ কৰে। ই মূলতঃ চিন্তা প্ৰধান। ইয়াৰ বিপৰীতে শিক্ষাৰ বৃত্তিমূলক লক্ষ্য কৰ্মকেন্দ্ৰিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। কৰ্ম প্ৰৱণতা শিশুৰ এক স্বাভাৱিক গুণ। গতিকে বৃত্তিমুখী শিক্ষাই শিক্ষাৰ্থীক আত্ম সক্ৰিয়তাৰে শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰে। গতিকে এই লক্ষ্য মনোবিজ্ঞানৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত।

(৬) **বৃত্তিমুখী শিক্ষা অৰ্থনৈতিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত ঃ** শিক্ষাৰ বৃত্তিমুখী লক্ষ্য অৰ্থনৈতিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। অৰ্থনৈতিক দৃষ্টিভঙ্গীত শিক্ষাক বিনিয়োগ হিচাবে বিবেচনা কৰা হয়। শিক্ষাৰ বৃত্তিমুখী লক্ষ্যই এই বিনিয়োগক অধিক উৎপাদনমুখী কৰি

Scanned by CamScanner

তোলাত সাহার্য কৰে। এই লক্ষ্যই ৰাষ্ট্ৰৰ প্ৰয়োজনীয় মানৱ সম্পদ সৃষ্টিত বিশেষভাৱে সহায় কৰে।

(৭) **আধুনিক যুগত সমাযোজনৰ সহায়কাৰী ঃ** বৰ্তমান যুগটো হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ। গতিকে আধুনিক যুগত ব্যক্তিয়ে সমাযোজন স্থাপন কৰিবলৈ যাওঁতে বিভিন্ন বিষয়ৰ তাত্ত্বিক জ্ঞানেই যথেষ্ট নহয়। তেওঁলোকক বিভিন্ন ক্ষেত্ৰত বিশেষ বৃত্তিমূলক যোগ্যতাৰো প্ৰয়োজন হয়। গতিকে এই ক্ষেত্ৰত সাৰ্থক সমাযোজন স্থাপন কৰাত বৃত্তিমুখী লক্ষ্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

(৮) **বৌদ্ধিক বিকাশৰ সহায়কাৰী ঃ** শিক্ষাৰ বৃত্তিমুখী লক্ষ্য মূলতঃ ক্ৰিয়া প্ৰধান হ'লেও ব্যক্তিৰ বৌদ্ধিক বিকাশতো ই যথেষ্ট অৰিহনা যোগাব পাৰে। মহাত্মা গান্ধীজীয়ে তেওঁৰ বুনিয়াদী শিক্ষা পদ্ধতিৰ পৰীক্ষালব্ধ অভিজ্ঞতাৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰিছিল সে সুশৃংখলিত আৰু সুচিন্তিতভাৱে সম্পাদন কৰা দৈহিক কাৰ্যসমূহে বৌদ্ধিক বিকাশৰ অনেক সম্ভাৱনীয়তা বহন কৰে।

মুঠতে আধুনিক যুগত শিক্ষাৰ ক্ষেত্ৰত বৃত্তিমুখী লক্ষ্যই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শিক্ষাৰ্থীৰ ভৱিষ্যৎ বৃত্তি সম্পৰ্কে নিশ্চয়তা প্ৰদান কৰি এই লক্ষ্যই শিক্ষা প্ৰচেষ্টাক অৰ্থবহ কৰি তোলে। সেয়েহে আধুনিক শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণৰ ক্ষেত্ৰত এই লক্ষ্যক বিশেষভাৱে বিবেচনা কৰা হয়।

Scanned by CamScanner